# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 06-11-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। আজি বিহাৰ বিধানসভাৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। এই নিৰ্বাচনত ৰাজ্যখনৰ ১৮ খন জিলাক সামৰি লোৱা হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশপ্ৰেমমূলক গীত বন্দে মাতৰমৰ ডেৰশ বছৰীয়া বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি কাইলৈ নতুন দিল্লীত বছৰজোৰা বিশেষ কাৰ্যসূচী মুকলি কৰিব।

৩। কোচিৰ নৌসেনা ঘাটিত আজি ভাৰতীয় নৌসেনাৰ ইক্ষক জাহাজ সেৱা মুকলি কৰা হ'ব।

৪। ইলেকট্ৰনিকছ্ আৰু তথ্য-প্ৰযুক্তি মন্ত্ৰালয়ে ভাৰত কৃত্ৰিম বুদ্ধিমত্তা পৰিচালন নীতি-নিৰ্দেশনা মুকলি কৰিছে।

*আৰু*

৫। গোৱাত চলি থকা চলিত বৰ্ষৰ ফিডে বিশ্বকাপ ডবা প্ৰতিযোগিতাত গ্ৰেণ্ডমাষ্টাৰ ডি গুকেশ, অৰ্জুন এৰিগেইছি আৰু পেণ্টালা হৰিকৃষ্ণা তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে।

ooooo

বিহাৰ বিধানসভাৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ ইতিমধ্যে আৰম্ভ হৈছে। এই পৰ্যায়ত আজি ৰাজ্যখনৰ ১৮ খন জিলাৰ ১২১টা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। পাটনা, বৈশালী, নালন্দা, ভোজপুৰ, মুংগেৰ, চৰণ, শিৱান, বেগুচৰাই, লক্ষীচৰাই, গোপালগঞ্জ, মুজফ্‌ফৰপুৰ, দাৰভাংগা, মাধেপুৰ, চৰ্হশাৰ সমষ্টিসমূহৰ বাবে ভোটগ্ৰহণ কৰা হৈছে। পুৱা ৭ বজাত আৰম্ভ হোৱা ভোটগ্ৰহণ সন্ধিয়া ৬ বজাত সামৰণি পৰিব। অৱশ্যে নিৰাপত্তাজনিত কাৰণত চিমৰী, বসক্তিয়াৰপুৰ, মাহিসী, তাৰাপুৰ, মুংগেৰ, জবলপুৰ আৰু সূৰ্যগড়হ বিধানসভা সমষ্টিৰ ২৬টা ভোটগ্ৰহণ কেন্দ্ৰত বিয়লি ৫ বজাত ভোটগ্ৰহণ প্ৰক্ৰিয়া অন্ত কৰা হ'ব। নিৰ্বাচন যাতে মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হয় তাৰবাবে ব্যাপক নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। নিৰ্বাচনী প্ৰক্ৰিয়া নিৰীক্ষণ কৰাৰ বাবে আটাইবোৰ ভোটগ্ৰহণ কেন্দ্ৰত ৱেৱকাষ্টিঙৰ ব্যৱস্থা কৰাৰ লগতে নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ লগতে ৰাজ্যিক আৰক্ষী বাহিনীক ভোটগ্ৰহণ কেন্দ্ৰসমূহত নিয়োগ কৰা হৈছে। মহিলাসকলৰ সুবিধাৰ বাবে ৯২৬টা মহিলা ভোটগ্ৰহণ কেন্দ্ৰ আৰু দিব্যাংগ লোকসকলৰ বাবে ১০৭টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ভোটাৰসকলৰ সুবিধাৰ বাবে অতিৰিক্ত ৩২০টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। পাটনাৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত এটা বিশেষ নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। ভোটাৰসকলৰ ০৬১২-২৮২৪০০১ এই ফোন নম্বৰত তেওঁলোকৰ অভিযোগ পঞ্জীয়ন কৰিব পাৰিব।

আমাৰ সংবাদদাতাই জনোৱা মতে, প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ৩ কোটি ৭৫ লাখ ভোটদাতাই এহেজাৰ ৩১৪ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। এইবাৰ ১২২ গৰাকী মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। জে ডি ইউয়ে সৰ্বাধিক ৫৭ খন আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আনহাতে বিজেপিয়ে ৪৮ খন, এল জে পি ৰামবিলাশ গোটে ১৪ খন আৰু ৰাষ্ট্ৰীয় লোক মৰ্চাই ২ খন আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। মহাগঠবন্ধনৰ আৰ জে ডিয়ে সৰ্বাধিক ৭৩ খন, কংগ্ৰেছ ২৪ খন আৰু চি পি আই (এম এল)য়ে ১৪ খন আসনত নিৰ্বাচন খেলিছে। মহাগঠবন্ধনৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী তেজশ্বী প্ৰসাদ য়াদৱে ৰাঘ'পুৰ সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। উপ মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰীয়ে তাৰাপুৰ আৰু বিজয় কুমাৰ সিনহাক লক্ষীচৰাই আসনৰ বাবে প্ৰাৰ্থিত্ব আগবঢ়োৱা হৈছে। এই পৰ্যায়ৰ নিৰ্বাচনত নীতিশ কুমাৰ মন্ত্ৰীসভাৰ ১৬ গৰাকী মন্ত্ৰীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। ৰাজ্যখনত অহা ১১ নৱেম্বৰত দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ১৪ নৱেম্বৰত ভোটগণনা কৰা হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশপ্ৰেমমূলক গীত বন্দে মাতৰমৰ ডেৰশ বছৰীয়া বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি কাইলৈ নতুন দিল্লীত বছৰজোৰা বিশেষ কাৰ্যসূচী মুকলি কৰিব। সাংস্কৃতিক মন্ত্ৰালয়ে  ৰাষ্ট্ৰীয় সংগীত বন্দে মাতৰমৰ ডেৰশ বছৰীয়া বাৰ্ষিকী উৎসৱৰ আয়োজন কৰিছে। অহা বছৰৰ ৭ নৱেম্বৰলৈ এই বছৰজোৰা কাৰ্যসূচী চলিব। ডেৰশ বছৰ সম্পূৰ্ণ হোৱা বন্দে মাতৰমে ৰাষ্ট্ৰবাদ, একতা তথা ব্ৰিটিশ শাসনৰ বিৰুদ্ধে প্ৰতিৰোধৰ সমূহীয়া ভাৱনাৰ প্ৰতীকৰূপে প্ৰেৰণা যোগাই আহিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ আগশাৰীৰ সমবায় সংস্থা আমূল আৰু IFFCOক বিশ্বৰ সমবায় সংস্থাৰ তালিকাত প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে দেশৰ সমবায় খণ্ড যথেষ্ট গতিশীল আৰু এই খণ্ডই মানুহৰ জীৱন ধাৰণাৰ মান সলনি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অনাগত সময়ত সমবায় খণ্ডটোক আৰু অধিক উৎসাহিত কৰাৰ বাবে চৰকাৰে বহু পদক্ষেপ গ্ৰহণ কৰিছে বুলি তেওঁ লগতে জানিবলৈ দিয়ে।

ooooo

ভাৰতীয় নৌসেনাই কোচিৰ নৌসেনা ঘাটিত আজি ইক্ষক জাহাজ সেৱাৰ আনুষ্ঠানিক শুভাৰম্ভণী কৰিব। নৌসেনাৰ মুৰব্বী এডমিৰেল দীনেশ কে ত্ৰিপাঠীৰ উপস্থিতিত এই বিশেষ কাৰ্যসূচী অনুষ্ঠিত হ'ব।

প্ৰতিৰক্ষা মন্ত্ৰালয়ে অৱগত কৰিছে যে দক্ষিণ নৌসেনা কমাণ্ডত অন্তৰ্ভুক্ত হ'বলগীয়া এই বিশেষ শ্ৰেণীৰ জাহাজখনে ভাৰতীয় নৌসেনা বাহিনীৰ হাইড্ৰ'গ্ৰাফিক জৰীপ ক্ষমতা বৃদ্ধি কৰিব।

মন্ত্ৰালয়ে লগতে জনাইছে যে, ইক্ষক জাহাজ নিৰ্মাণৰ ক্ষেত্ৰত ভাৰতৰ ক্ৰমবৰ্ধমান আত্মনিৰ্ভৰশীলতাৰ এক উজ্জ্বল নিদৰ্শন। 'ইক্ষক' অৰ্থাৎ গাইড বা নিৰ্দেশক নামটোৱে

জাহাজখনৰ নিখুঁত বৈশিষ্ট্য আৰু নেতৃত্বৰ প্ৰতীক হিচাপে ল'বলগীয়া ভূমিকাক উপযুক্তভাৱে সংজ্ঞায়িত কৰিছে বুলিও মন্ত্ৰালয়ে প্ৰকাশ কৰে।

০০০০০

ইলেকট্ৰনিকছ আৰু তথ্য-প্ৰযুক্তি মন্ত্ৰ্যালয়ে ভাৰত কৃত্ৰিম বুদ্ধিমত্তা পৰিচালন নীতি-নিৰ্দেশনা মুকলি কৰিছে। এই নীতি-নিৰ্দেশনাৰ জৰিয়তে বিভিন্ন ক্ষেত্ৰত নিৰাপদ, সৰ্বাত্মক আৰু দায়িত্বশীল কৃত্ৰিম বুদ্ধিমত্তা প্ৰণালীৰ গ্ৰহণ সুনিশ্চিত কৰাৰ বাবে সৰ্বাত্মক পৰিকাঠামোৰ দিহা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ প্ৰধান বৈজ্ঞানিক উপদেষ্টা অজয় কুমাৰ চুডে মন্ত্ৰ্যালয়ৰ সচিব এছ্ কৃষ্ণনৰ উপস্থিতিত কালি নতুন দিল্লীত এই নীতি-নিৰ্দেশনা মুকলি কৰে।

এই উপলক্ষে প্ৰফেচাৰ চুডে কয়, যে কাৰো ক্ষতি সাধন নকৰাটো এই পৰিকাঠামোৰ মূল ভাৱনা। তেওঁ কয়, যে ভাৰতে উদ্ভাৱনৰ বাবে ছেণ্ট বক্স অৰ্থাৎ উপ-প্ৰণালী গঢ়ি তোলাৰ বাবে আৰু সুগম তথা অনুকূল প্ৰণালীৰ ভিতৰত বিপদাশংকা প্ৰশমনৰ বিষয়ে গুৰুত্ব আৰোপ কৰিছে। ভাৰত কৃত্ৰিম বুদ্ধিমত্তা মিছনে এই তন্ত্ৰ অধিক সমৰ্থৱান কৰি তুলিব আৰু আন ভালেমান ৰাষ্ট্ৰক অনুপ্ৰাণিত কৰিব।

০০০০০০

কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তি আৰু পেঞ্চন দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে ২৫ লাখৰো অধিক লোকে ডিজিটেল জীৱিতৰ প্ৰমাণ পত্ৰ প্ৰস্তুত কৰাৰ বাবে মুখমণ্ডলৰ জৰিয়তে প্ৰমাণীকৰণৰ প্ৰক্ৰিয়া আঁকোৱালি লোৱা বুলি প্ৰকাশ কৰিছে। ড° সিঙে কালি নতুন দিল্লীত চতুৰ্থ ৰাষ্ট্ৰজোৱা ডিজিটেল জীৱিতৰ প্ৰমাণ পত্ৰ মুকলি কৰি এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে এই অভিযান ডিজিটেল ইণ্ডিয়া অনুযায়ী পেঞ্চন ধাৰকসকলৰ ডিজিটেল সৰলীকৰণৰ এটা অনন্য সুযোগ। তেওঁ কয়, যে পূৰ্বতে এনে প্ৰমাণ পত্ৰৰ বাবে বায়'মেট্ৰিকছ ব্যৱস্থা ব্যৱহাৰ কৰা হৈছিল, কিন্তু ৭৫ বছৰ বা তাতকৈ অধিক বয়সৰ পেঞ্চন ধাৰকৰ বাবে এয়া নিৰ্ভৰযোগ্য নাছিল। ১০০ বছৰতকৈ অধিক বয়সৰ প্ৰায় দুহেজাৰ ২০০ গৰাকী পেঞ্চনধাৰকে পেঞ্চন লাভ কৰি আছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে মুখমণ্ডলৰ জৰিয়তে প্ৰমাণীকৰণৰ সুবিধা গ্ৰহণ কৰা ২৫ লাখ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ ভিতৰত ৩০ হাজাৰৰো অধিক হিতাধিকাৰীক ৯০ বছৰ ঊৰ্ধৰ। তেওঁ কয়, যে এই পৰিসংখ্যাৰ পৰা এতিয়া যে অধিকাংশ লোকে আধুনিক প্ৰযুক্তি আঁকোৱালি লৈছে সেয়া স্পষ্ট হৈ পৰিছে। তেওঁ কয়, যে এই অভিযান এই মাহৰ শেষ ভাগলৈ চলিব।

০০০০০

গোৱাত চলি থকা চলিত বৰ্ষৰ ফিডে বিশ্বকাপ ডবা প্ৰতিযোগিতাত গ্ৰেণ্ডমাষ্টাৰ ডি গুকেশ, অৰ্জুন এৰিগেইছি আৰু পেণ্টালা হৰিকৃষ্ণা তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। ইপিনে, দিপ্তায়ন ঘোষে সুন্দৰ খেল প্ৰদৰ্শন কৰি বৰ্তমানৰ বিশ্ব ব্লিট্‌ছ সহ চেম্পিয়ন য়ান নেপমনিয়াচটচ্চিক পৰাস্ত কৰে। ডি গুকেশে কাজাখস্তানৰ কাজীবেক ন'গেৰবেকক ১ দশমিক ৫ - ০ দশমিক ৫ ফলাফলত পৰাস্ত কৰাৰ লগতে এৰিগেইছিয়ে বুলগেৰিয়াৰ মাৰ্টিন পেট্ৰভক ২-০ ফলাফলত পৰাস্ত কৰি তৃতীয় ৰাউণ্ডলৈ উন্নীত হয়। হৰিকৃষ্ণাই গ্ৰেণ্ডমাষ্টাৰ আৰ্ছেনি নেষ্টৰোভক পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডত নিজৰ স্থান নিশ্চিত কৰে।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত অব্যাহত থকা পাঁচখনীয়া টি-২০ শৃংখলাৰ চতুৰ্থ খেলখন আজি অষ্ট্ৰেলিয়াৰ কুইন্সলেণ্ডৰ কেৰাৰা অ'ভেলত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি দিনৰ ১ বাজি ৪৫ মিনিটত খেলখন আৰম্ভ হ'ব। উল্লেখযোগ্য যে, শেহতীয়াকৈ হোবাৰ্টত অনুষ্ঠিত প্ৰতিযোগিতাৰ তৃতীয়খন খেলত ভাৰতে অষ্ট্ৰেলিয়াক ৫ উইকেটত পৰাস্ত কৰিছিল আৰু এতিয়ালৈ শৃংখলাত উভয় দলে এখনকৈ খেলত জয়ী হৈছে।

ইপিনে, অষ্ট্ৰেলিয়াই চতুৰ্থ খেলখনৰ বাবে দলত কেইবাটাও সালসলনি কৰি ট্ৰাভিছ হেড আৰু শ্বেন এবটক বিশ্ৰাম দিছে।

০০০০০

অলিম্পিক পদকজয়ী মনু ভাকেৰ আৰু স্বপ্নীল কুশালেই ইজিপ্তৰ কায়ৰোত আজি আৰম্ভ হ'বলগীয়া ISSF ৰাইফল আৰু পিষ্টল বিশ্ব চেম্পিয়নশ্বিপ ২০২৫ত ভাৰতৰ ৪০ জনীয়া দলটোক নেতৃত্ব দিব। লিমা, মিউনিখকে ধৰি শেহতীয়া কেইবাখনো আন্তৰাষ্ট্ৰীয় প্ৰতিযোগিতাত পদক লাভ কৰি ভাৰতীয় শ্বুটাৰসকল সম্প্ৰতি যথেষ্ট স্বাচ্ছন্দ্যত আছে।

পিষ্টল শাখাত দুবাৰৰ অলিম্পিক পদক বিজয়ী মনু ভাকেৰক এষা সিং আৰু সুৰুচি সিঙে সংগ দিব।

আনহাতে, ৰাইফল ইভেণ্টত ২০২২ চনৰ বিশ্ব চেম্পিয়ন ৰুদ্ৰাংকক্ষ পাটিলে ১০ মিটাৰ এয়াৰ ৰাইফলত প্ৰত্যাৱৰ্তন কৰাৰ বিপৰীতে স্বপ্নিল কুছালে ৫০ মিটাৰ ৰাইফল থ্ৰী পজিচনত প্ৰতিদ্বন্দ্বিতা কৰিব।

ভাৰতীয় দলটোত ইলাভেনিল ৱালাৰীভান, ছিফ্ট কৌৰ ছ্ম্ৰা, অৰ্জুন বাবুটা, অনিশ ভানৱালা আৰু ঐশ্বৰী প্ৰতাপ সিং তোমাৰকে ধৰি বহু অভিজ্ঞ শ্বুটাৰক স্থান দিয়া হৈছে।

ইজিপ্তৰ আন্তঃৰাষ্ট্ৰীয় অলিম্পিক চহৰত ৭২খন দেশৰ ৭২০ গৰাকী শ্বুটাৰে ভাগ ল'বলগীয়া এই চেম্পিয়নশ্বিপ অহা ১৭ তাৰিখলৈ চলিব।

০০০০০

**সমাপ্ত**